**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-07-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ইউনেস্ক'ই আজি চৰাইদেউ মৈদাম ক্ষেত্ৰক সাংস্কৃতিক শিতানত বিশ্ব ঐতিহ্য ক্ষেত্ৰ ৰূপে ঘোষণা কৰে।

২। দেশৰ কৃষি ৰপ্তানি আৰু আমদানি সামৰ্থ শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে জৱাহৰলাল নেহৰু বন্দৰত ভাৰতৰ প্ৰথমটো সংহত কৃষি ৰপ্তানি সুবিধা প্ৰদান কৰা হ'ব।

৩। কাৰ্গিল বিজয় দিৱস উপলক্ষে ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, প্ৰতিৰক্ষা মন্ত্ৰীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন।

৪। ধাৰাষাৰ বৰষুণৰ পাছত মুম্বাইত বতৰ স্বাভাৱিক অৱস্থালৈ অহাৰ পৰিপ্ৰেক্ষিতত আজি মুম্বাইবাসীৰ দৈনন্দিন জীৱনযাত্ৰা পুনৰ স্বাভাৱিক হৈ পৰিছে।

*আৰু*

৫। পেৰিছ অলিম্পিক-২০২৪ আজি শ্বেন নদীৰ পাৰত মুকলি অনুষ্ঠানৰ জৰিয়তে শুভাৰম্ভ হ'ব।

0000000

ইউনেস্ক'ই আজি চৰাইদেউ মৈদাম ক্ষেত্ৰক সাংস্কৃতিক শিতানত বিশ্ব ঐতিহ্য ক্ষেত্ৰ ৰূপে ঘোষণা কৰে। এই শিতানত বিশ্ব ঐতিহ্য ক্ষেত্ৰ ৰূপে উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত চৰাইদেউৰ মৈদামে স্বীকৃতি লাভ কৰিছে। আনহাতে ভাৰতৰ ভিতৰত এয়া হৈছে ৪৩ সংখ্যক বিশ্ব ঐতিহ্য ক্ষেত্ৰ। চৰাইদেউৰ মৈদামক অসমৰ পিৰামিড বুলিও অভিহিত কৰা হয়। মৈদামবিলাকত আহোম ৰজা তথা ৰাজপৰিয়ালৰ লোকক সমাধিস্থ কৰা হৈছিল। উল্লেখযোগ্য যে চৰাইদেউকে ধৰি অসমত পূৰ্বে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি লাভ কৰা আন দুখন ক্ষেত্ৰ হৈছে কাজিৰঙা আৰু মানস ৰাষ্ট্ৰীয় উদ্যান।

00000

দেশৰ কৃষি ৰপ্তানি আৰু আমদানি সামৰ্থ শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে জৱাহৰলাল নেহৰু বন্দৰত ভাৰতৰ প্ৰথমটো সংহত কৃষি ৰপ্তানি সুবিধা প্ৰদান কৰা হ'ব। বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ২৮৪ কোটি টকাৰো অধিক মূল্যৰ ৰাজহুৱা-ব্যক্তিগত অংশীদাৰীত্বৰ পদ্ধতিত ৰপ্তানি-আমদানিসহ ঘৰুৱা কৃষি সামগ্ৰী ভিত্তিত প্ৰক্ৰিয়াকৰণ আৰু সংৰক্ষণ সুবিধাৰ উন্নয়নৰ প্ৰকল্পত অনুমোদন জনাইছে। সোণোৱালে কৈছে যে এই সংহত কৃষি সুবিধাৰ উন্নয়ণে কৃষি সামগ্ৰী সুশৃংখলিত কৰিব, অপচয় হ্ৰাস কৰিব আৰু কৃষিজাত সামগ্ৰীৰ উন্নত মূল্য প্ৰদান কৰিব। তেওঁ আৰু কয় যে দেশৰ কৃষক তথা কৃষি ক্ষেত্ৰ সবলীকৰণ তথা উন্নীত কৰাৰ দিশত এয়া এক উল্লেখযোগ্য পদক্ষেপ। এই সুবিধাৰ জৰিয়তে মছলা, পিয়াঁজ, ঘেঁহু আদি সামগ্ৰী ৰপ্তানি কৰিব পৰা যাব।

০০০০০

কাৰ্গিল বিজয় দিৱস উপলক্ষে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰে সশস্ত্ৰ বাহিনীক কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। জামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি মুৰ্মুৰে ভাৰতীয় সশস্ত্ৰ বাহিনীৰ অসাধাৰণ শৌৰ্যক স্বীকাৰ কৰে। ১৯৯৯ চনত কাৰ্গিলৰ শিখৰত ভাৰত মাতৃক ৰক্ষা কৰাৰ স্বাৰ্থত সৰ্বোচ্চ ত্যাগ কৰা বীৰ জোৱানসকলৰ প্ৰতি তেওঁ সন্মান জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ২৫ সংখ্যক কাৰ্গিল বিজয় দিৱস উপলক্ষে কাৰ্গিল যুদ্ধ স্মাৰক পৰিদৰ্শন কৰিব। শ্ৰীমোদীয়ে দেশৰ বাবে সৰ্বোচ্চ ত্যাগ কৰা শ্বহীদ জোৱানসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে আজিৰ দিনটো প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে অতি গুৰুত্বপূৰ্ণ। তেওঁ লগতে ইয়াক দেশৰ ৰক্ষকসকলক শ্ৰদ্ধাঞ্জলি জনোৱাৰ দিন বুলি অভিহিত কৰে।

শ্ৰীমোদীয়ে লগতে কয় যে আজি শ্বীনকুন লা সুৰংগ প্ৰকল্পৰ কাম আৰম্ভ হ'ব। তেওঁ ভাৰ্চুৱেল পদ্ধতিৰে আজি এই প্ৰকল্পৰ কাম আনুষ্ঠানিকভাৱে আৰম্ভ কৰিব। এই সুৰংগটোৱে বিশেষকৈ বেয়া বতৰত লেহলৈ যোগাযোগ সহজসাধ্য কৰিব আৰু সেয়েহে এই সুৰংগটো গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। ৪ দশমিক ১ কিলোমিটাৰ দৈৰ্ঘৰ এই সুৰংগটো নিমু-পাদুম-দাৰচা পথছোৱাত প্ৰায় ১৫ হাজাৰ ৮০০ ফুট উচ্চতাত নিৰ্মাণ কৰা হ'ব আৰু এই সুৰংগটোৰ জৰিয়তে যিকোনো বতৰতে লেহলৈ সহজসাধ্য যাত্ৰা কৰিব পৰা যাব। সম্পূৰ্ণ হোৱাৰ পাছত এই সুৰংগটো পৃথিৱীৰ উচ্চতম সুৰংগ হিচাপে পৰিগণিত হ'ব। শ্বীনকুন লা সুৰংগটোৱে সামৰিক বাহিনীৰ সামগ্ৰীৰ সুগম সৰবৰাহৰ উপৰি লাডাখত অৰ্থনৈতিক আৰু সামাজিক উন্নয়ন ত্বৰান্বিত কৰিব।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙেও কাৰ্গিল বিজয় দিৱস উপলক্ষে শ্বহীদ জোৱানসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

কাৰ্গিল বিজয় দিৱস উপলক্ষে গৃহমন্ত্ৰী অমিত শ্বাহে সেনাবাহিনীৰ বীৰ জোৱানসকলৰ বীৰত্বক স্মৰণ কৰে । সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী শ্বাহে হিমালয়ৰ দুৰ্গম পাহাৰত চূড়ান্ত শৌৰ্য্য প্ৰদৰ্শন কৰা আৰু শত্ৰুৰ সেনাক পিছ হুহুকিবলৈ বাধ্য কৰা জোৱানসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। তেওঁ উল্লেখ কৰে যে জোৱানসকলে কাৰ্গিলত পুনৰবাৰ ত্ৰিৰংগা উত্তোলন কৰি দেশক গৌৰৱান্বিত কৰিছিল। শ্ৰী শ্বাহে বীৰ জোৱানসকলৰ সাহসক প্ৰণাম জনাই কয় যে কৃতজ্ঞ ৰাষ্ট্ৰই তেওঁলোকৰ ত্যাগ কেতিয়াও পাহৰিব নোৱাৰে

০০০০০

ধাৰাষাৰ বৰষুণৰ পাছত মুম্বাইত বতৰ স্বাভাৱিক অৱস্থালৈ অহাৰ পৰিপ্ৰেক্ষিতত আজি মুম্বাইবাসীয়ে সকাহ লাভ কৰিছে। মহানগৰীৰ দৈনন্দিন জীৱনযাত্ৰা পুনৰ স্বাভাৱিক হৈ পৰিছে। সেয়েহে মহানগৰৰ পৌৰ নিগম এলেকাৰ বিদ্যালয় আৰু মহাবিদ্যালয়সমূহ আগৰ দৰে খোলা আছে। মুম্বাইৰ পৌৰ নিগম কৰ্তৃপক্ষই অভিভাৱকসকলক শৈক্ষিক প্ৰতিষ্ঠানসমূহ বন্ধ হোৱা সংক্ৰান্তীয় কোনোধৰণৰ উৰা বাতৰিত ভোল নাযাবলৈ আৰু শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ কৰ্তৃপক্ষৰ সৈতে যোগাযোগত থাকিবলৈ আহ্বান জনাইছে।

ইফালে মহাৰাষ্ট্ৰৰ বিভিন্ন অঞ্চলত বৰষুণ অব্যাহত আছে। পুণে, ৰত্নাগিৰি, গাডচিৰ'লি, চন্দ্ৰপুৰ আৰু লাটুৰকে ধৰি বৰষুণৰ ফলত বিভিন্ন অঞ্চলত বান সদৃশ পৰিস্থিতিৰ সৃষ্টি হৈছে। পুণে আৰু কাষৰীয়া ঠাইসমূহ মূষলধাৰ বৰষুণৰ ফলত বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। ৰাষ্ট্ৰীয় ঘাই পথত যাতায়তৰ সমস্যাৰ সৃষ্টি হৈছে। সাতাৰাত কইন্যা বান্ধ অঞ্চলত ধাৰাবাহিকভাৱে বৰষুণ হৈ আছে। জিলা আয়ুক্তই  মহাবালেশ্বৰৰ সকলো পৰ্যটন স্থান বন্ধৰ নিৰ্দেশ দিছে। ৱাৰ্ণা আৰু কইন্যা নদীৰ পানী ছাংলি অঞ্চলৰ কৃষিভূমি  সোমোৱাৰ ফলত দৈনন্দিন জীৱনযাত্ৰাত ব্যাঘ্যাত জন্মিছে।

ooooo

২০২৪ বৰ্ষৰ পেৰিছ অলিম্পিক ক্ৰীড়া সমাৰোহ আজি আৰম্ভ হ'ব। পেৰিছৰ শ্বেন নৈৰ পাৰত ভাৰতীয় সময় অনুসৰি নিশা ১১ বজাত এই ক্ৰীড়া সমাৰোহৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হ'ব।

ইতিহাসত প্ৰথমবাৰৰ বাবে এইবেলি মুকলি আকাশৰ তলত অলিম্পিক ক্ৰীড়া সমাৰোহৰ উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সমাৰোহত অংশগ্ৰহণ কৰা দেশসমূহৰ প্ৰায় ১০ হাজাৰ ৫০০ গৰাকী খেলুৱৈক ১০০ খন নাৱেৰে পেৰিছৰ দৰ্শনীয় স্থল সমূহৰ ওচৰেৰে লৈ যোৱা হ'ব আৰু এইদৰে দেশসমূহৰ কুচকাৱাজ অনুষ্ঠিত হ'ব। অষ্টাৰলিট্জ দলঙৰ ওচৰত আৰম্ভ হৈ এই কুচকাৱাজৰ  আইফেল টাৱাৰৰ ওচৰত অন্ত পৰিব। ইয়াৰ পাচতে অলিম্পিক শিখা প্ৰজ্বলন কৰা হ'ব আৰু তাৰ লগে লগে অলিম্পিক ক্ৰীড়া সমাৰোহৰ আনুষ্ঠানিক উদ্বোধন হ'ব।

বেডমিণ্টন তাৰকা পি ভি সিন্ধু আৰু টেবুল টেনিছ শৰথ কমলে ভাৰতীয় দলৰ পতাকা বহন কৰিব। কুচকাৱাজৰ সময় ছোৱাত ভাৰতীয় দলৰ সদস্যসকলে দেশৰ পতাকাৰ আৰ্হিত পৰম্পৰাগত সাজ-পোছাক পৰিধান কৰিব।

পেৰিছ অলিম্পিকৰ আনুষ্ঠানিক উদ্বোধনৰ এদিন পূৰ্বে কালি আৰ্চাৰীত ভাৰতৰ মহিলা দলটোৱে চতুৰ্থ আৰু পুৰুষ দলটোৱে তৃতীয় স্থান দখল কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।   কোৱাৰ্টাৰ ফাইনেল পৰ্যায়ত ভাৰতীয় মহিলা দলটো ফ্ৰান্স আৰু নেডাৰলেণ্ডছৰ মাজত হ'বলগীয়া প্ৰতিদ্বন্দ্বিতাৰ বিজয়ী দলটোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে কোৱাৰ্টাৰ ফাইনেল পৰ্যায়ত ভাৰতৰ পুৰুষ দলটো কলম্বিয়া আৰু তুৰস্কৰ মাজত হ'বলগীয়া খেলখনৰ বিজয়ীৰ মুখামুখি হ'ব।  এই প্ৰতিযোগিতাসমূহ অহা ২৮ জুলাইৰ পৰা ৪ আগষ্টৰ ভিতৰত অনুষ্ঠিত হ'ব। ভাৰতে কাইলৈ ১০ মিটাৰ এয়াৰ ৰাইফল মিক্সড টীম আৰু পুৰুষ আৰু মহিলা উভয়ৰে ১০ মিটাৰ এয়াৰ পিষ্টল শিতানত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। পেৰিছ অলিম্পিকত

যোৱাবাৰৰ অলিম্পিক পদক বিজয়ী অসমৰ লাভলীনা বৰগোঁহাইয়ে প্ৰথমখন খেলত নৰ্বেৰ চুন্নিভা হফষ্টাডৰ বিৰুদ্ধে খেলিব।

এইবাৰ ভাৰতীয় দলটোৰ ছিফ দ্য মিছন হিচাপে তাৰকা শ্বুটাৰ গগন নাৰঙক দায়িত্ব অৰ্পণ কৰা হৈছে। তদুপৰি ৩০গৰাকী সদস্যযুক্ত ভাৰতৰ এথলেটিক দলটোক জেভলিন তাৰকা নীৰজ চোপ্ৰাই নেতৃত্ব দিব। এইবাৰ অলিম্পিকলৈ ভাৰতে ১১৭জনীয়া খেলুৱৈৰ দল প্ৰেৰণ কৰিছে। ১১ আগষ্টলৈকে চলিবলগীয়া এই অলিম্পিকত ১৯৬খন ৰাষ্ট্ৰৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। এইবাৰ প্ৰথমবাৰৰ বাবে ব্ৰেক ডেন্সিংক অলিম্পিকত খেল হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০